بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)ৰ ১১ নৱেম্বৰ ২০২২ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড বৃটেইনত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**আঁহজৰত (ছাঃ)ৰ মহান মৰ্যাদা সম্পন্ন খলিফা ৰাশেদ হজৰত আবু বক্কৰ (ৰাঃ)ৰ প্ৰশংসনীয় গুণাৱলী সমূহৰ ঈমান বৰ্দ্ধক বৰ্ণনা**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাছাহুদ তাউয আৰু চুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ কাৰ্যাৱলী সম্পৰ্কে বৰ্ণনা চলি আছে আৰু তেখেতৰ জীৱনীৰ কিছু অংশ বৰ্ণনা কৰা হৈছে। এই সম্পৰ্কে যিবোৰ ৰিৱায়ত আছে তাত এয়াও উল্লেখ আছে যে তেখেত (ৰাঃ) বংশীয় বৃত্তান্ত সম্পৰ্কে পাণ্ডিত্য ৰাখিছিল আৰু কবিতা ৰচনা কৰাৰও জ্ঞান ৰাখিছিল। তেখেত (ৰাঃ)য়ে আৰবীয়ান সকলৰ বংশ পৰিচয় সম্পৰ্কে আটাইতকৈ বেছি ভালদৰে জানিছিল। বিশেষকৈ কুৰাইছ সকলৰ ভাল আৰু বেয়া সম্পৰ্কে আটাইতকৈ বেছি জ্ঞান ৰাখিছিল। কিন্তু হজৰত আবু বক্কৰ (ৰাঃ)য়ে কেতিয়াও তেওঁলোকৰ বেয়া কাৰ্যাৱলী সমূহ বৰ্ণনা কৰা নাছিল। গতিকে এখেত (ৰাঃ)য়ে হজৰত আকিল বিন আবু তালিবৰ তুলনাত কুৰাইছ সকলৰ ওচৰত বেছি গ্ৰহণযোগ্য আৰু পছন্দনীয় আছিল। হজৰত আকিল (ৰাঃ) হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ পিছত কুৰাইছ সকলৰ বংশ পৰিচয় আৰু তেওঁলোকৰ পূৰ্বপুৰুষ আৰু তেওঁলোকৰ ভাল,বেয়া আদি সম্পৰ্কে আটাইতকৈ বেছি জানিছিল। কিন্তু হজৰত আকিল (ৰাঃ) কুৰাইছ সকলৰ ওচৰত অপছন্দনীয় আছিল কাৰণ এখেত (ৰাঃ)য়ে কুৰাইছ সকলৰ বেয়া কাৰ্যাৱলী সম্পৰ্কেও বৰ্ণনা কৰিছিল।

মক্কাৰ বাসিন্দা সকলৰ ওচৰত হজৰত আবু বক্কৰ (ৰাঃ) তেওঁলোকৰ উত্তম ব্যক্তি সকলৰ মাজত এজন আছিল। গতিকে যেতিয়াই তেওঁলোকৰ কোনো সমস্যায় দেখা দিছিল তাতেই তেওঁলোকে হজৰত আবু বক্কৰ (ৰাঃ)ৰ ওচৰত সহায় বিচাৰিছিল। যেতিয়াই কুৰাইছ সকলৰ কবি সকলে আঁহজৰত (ছাঃ)ৰ বিপক্ষে কবিতা গাইছিল তেতিয়া হাচান বিন ছাবিত (ৰাঃ)ক সেই কবিতা বিলাকৰ উপযুক্ত উত্তৰ দিবলৈ দায়িত্ব দিয়া হৈছিল। আঁহজৰত (ছাঃ)য়ে হজৰত হাচান বিন ছাবিত (ৰাঃ)ক কৈছিল যে কুৰাইছ সকলৰ বংশ পৰিচয় কবিতা যেতিয়া মক্কা পাইছিলগৈ তেতিয়া তেওঁলোকে কৈছিল যে এই কবিতা বিলাকৰ মূলত হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ নিদেৰ্শনা আৰু পৰামৰ্শ যুক্ত আছে।

হজৰত আবু বক্কৰ (ৰাঃ)ৰ জীৱনী লিখক সকলে এয়া বিতৰ্ক উঠাইছিল যে তেখেত (ৰাঃ)য়ে নিয়মিত ভাৱে কবিতা পাঠ কৰিছিল নে নাই ? হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ পচিশটা মান কাছিদা (কবিতাৰ পংক্তি) সহ এখন পত্ৰ তুৰ্কী সকলৰ এখন গ্ৰন্থাগাৰৰ পৰা উদ্ধাৰ কৰা হৈছে, যাৰ বিষয়ে কোৱা হয় যে এইবোৰ হজৰত আবু বক্কৰ (ৰাঃ)ৰ কবিতাৰ পংক্তি। এই বিষয়ে কোনোবা এজন লিখকে লিখিছে যে মোক হজৰত আবু বক্কৰ (ৰাঃ)ৰ এই কবিতাৰ কিছু অংশৰ সত্যতা ইলহামী ভাৱে জনোৱা হৈছে। তবকাশ ইবনে ছাআদ আৰু ছিৰাত ইবনে হিশামতও লিখা হৈছে যে হজৰত আবু বক্কৰ (ৰাঃ)য়ে কিছুমান কবিতা পাঠ কৰিছিল।

আঁহজৰত (ছাঃ)ৰ মৃত্যুৰ সময়ত আৰু তেখেত (ছাঃ)ৰ দফন-কফনৰ পিছত হজৰত আবু বক্কৰ (ৰাঃ)ৰ এই কবিতা বয়ান কৰা হৈছিল যাৰ অনুবাদ এনেদৰে হয় হে নয়ন যুগল, তোমাক ছৈয়দে দুজাহান (ছাঃ)ৰ ওপৰত চকুলো টুকাৰ অধিকাৰৰ শপত। তুমি কান্দি থাকা আৰু তোমাৰ চকুলো যেন কেতিয়াও থমকি নৰয়। হে নয়ন যুগল, কুৰাইছ্ কবিলাৰ উত্তম উত্তৰাধিকাৰীৰ ওপৰত চকুলো টুকি যোৱা, যি আবেলি পৰত এন্ধাৰেৰে ঢাকি দিয়া হৈছে। গতিকে ৰজাৰও ৰজা,ভৃত্যৰ মালিক, ইবাদত কৰোঁতা সকলৰ পালন কৰ্ত্তাৰত (আপোনাৰ ওপৰত ) তেখেত (ছাঃ)ৰ ওপৰত দৰুদ হওঁক। গতিকে বান্ধৱ (ছাঃ) হেৰাই যোৱাৰ পিছত এতিয়া আৰু আমাৰ কিহৰ জীৱন! দুজাহানক সৌন্দৰ্যময় কৰি তোলা সত্তাৰ বিদায়ৰ পিছত আৰু কিহৰ শান্তি। গতিকে যেনেকৈ আমি সকলোৱে জীৱন কালত একেলগে আছিলো, হায় যদি মৃত্যুয়েও আমাক সকলোকে জীৱন কালতে একেলগে আগুৰি ললেহেঁতেন।

হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ) এজন প্ৰজ্ঞাবান ব্যক্তি আছিল। হজৰত আবু ছঈদ খুদৰি (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে হজৰত নবী কৰিম (ছাঃ)য়ে কৈছে আল্লাহ তা'লা এজন বান্দাক জগতৰ অধিকাৰ দিছে নাইবা তাৰ অধিকাৰ দিছে যি আল্লাহৰ ওচৰত আছে। যিয়েই নহওঁক তেওঁ (হজৰত আবু বক্কৰ ছিদ্দিক ৰাঃ) যি আল্লাহৰ ওচৰত আছে,সেয়া পছন্দ কৰিছে। এই কথাবোৰ শুনি হজৰত আবু বক্কৰ (ৰাঃ)য়ে কান্দি পেলায়। তেতিয়া মই মনে মনে কৈছিলো যে এই বুজুৰ্গজনে কি কথাটোলৈ কান্দিছে ? আঁহজৰত (ছাঃ)য়ে কৈছিল যে হে আবু বক্কৰ নে কান্দিবা। নিশ্চয় সকলো লোকৰ মাজত নিজৰ সংগাদন আৰু নিজৰ ধনমালৰ জৰিয়তে মোৰ পৰা আটাইতকৈ বেছি নেকি অৰ্জন কৰোঁতা আবু বক্কৰেই হয়। যদি মই মোৰ উম্মতৰ মাজত কাৰোবাক খলিল বনালো হয় তেন্তে মই আবু বক্কৰক বনালো হয়। এই সম্পৰ্কে হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে যেতিয়া ৰছুলে কৰিম (ছাঃ)ৰ জীৱনৰ শেষ সময় আহি পাইছিল তেতিয়া এদিন তেখেত (ছাঃ)য়ে ভাষণ দিবলৈ থিয় দিছিল আৰু চাহাবা সকললৈ কৈছিল হে লোক সকল ! আল্লাহ তা'লাৰ এজন বান্দা আছে তাক তাৰ খোদাই উদ্দেশ্য কৰি কৈছে হে মোৰ বান্দা ! মই তোক অধিকাও দিওঁ যে বিচাৰিলে তই জগতত থাকিব পাৰা, আৰু বিচাৰিলে তই মোৰ ওচৰত আহিব পাৰা। এইখিনিতেই সেই বান্দাজন খোদাৰ নৈকট্য পছন্দ কৰিছে। যেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে এই কথাখিনি কৈছিল তেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)য়ে কান্দি উঠিছিল আৰু তেখেতৰ শ্বাস ৰূদ্ধ হৈ আহিছিল। অৱশেষত আঁহজৰত (ছাঃ)য়ে কৈছিল যে আবু বক্কৰ (ৰাঃ)ক মই ইমানেই ভাল পাওঁ যে যদি মই খোদা তা'লাৰ বাহিৰে কাকো খলিল বনোৱা জায়েজ হ'লহেঁতেন তেন্তে মই আবু বক্কৰক বনালো হয়।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে যেতিয়া ৰছুলে কৰিম (ছাঃ)য়ে এই আয়াত **আলইয়াওমা আকমালতু লাকুম দিনাকুম ওৱা আতমামতু আলায়কুম নিমাতি** পঢ়ি শুনায় তেতিয়া হজৰত আবু বক্কৰ

(ৰাঃ)য়ে চকুলো টুকি কৈছিল, মই এই আয়াতৰ পৰা পয়গম্বৰে খোদা ৰছুলে কৰিম (ছাঃ)ৰ মৃত্যুৰ গোন্ধ পাইছো। হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে আম্বিয়া (আঃ) সাধাৰণতে বিচাৰক হচিাপে আহি থাকে, যেনেকৈ বন্দবস্ত কৰা কৰ্মীয়ে নিজৰ  কাম সম্পূৰ্ণ কৰাৰ পিছত তাৰ পৰা গুচি যায় ঠিক তেনেকৈ আম্বিয়া সকলেও যি কামৰ বাবে পৃথিৱীত আগমন কৰে আৰু সেয়া যেতিয়া সম্পূৰ্ণ কৰি লয় তেতিয়া এই পৃথিৱীৰ পৰা বিদায় গ্ৰহণ কৰে। গতিকে যেতিয়া **আলইয়াওমা আকমালতু লাকুম দিনাকুম** এই আহ্বান কাণত পৰে তেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)য়ে বুজি পাইছিল যে এয়াই আমালোকলৈ শেষ আহ্বান। ইয়াৰ পৰা স্পষ্ট বুজা যায় যে হজৰত আবু বক্কৰ (ৰাঃ)ৰ জ্ঞানৰ পৰিধি বহল আছিল।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছিল যে মৌলবী সকলক সুধি চোৱা যে হজৰত আবু বক্কৰ (ৰাঃ) বিবেকবান আছিল নে নাই। কিয়! সেইজন আবু বক্কৰ নাছিলনে যিজনক সত্যবাদী বুলি কোৱা হৈছিল। কিয় এইজনেই সেইজন ব্যক্তি নহয় নে যিজনে ৰছুলে কৰিম (ছাঃ)ৰ পিছত প্ৰথম খলিফা হৈছিল, যিজনে ইছলামৰ বৰ ডাঙৰ সেৱা কৰিছিল আৰু বিপদজনক বিদ্ৰোহ দমন কৰিছিল ? আকৌ তাকওৱাৰ সৈতে কোৱা যে তেখেতে **ওৱা মা মুহাম্মাদান ইল্লা ৰাছুলুন কাদ খালাত মিন কাবলিহিৰ ৰুছুল** যেতিয়া পঢ়িছিল তেতিয়া প্ৰমাণিত হৈছিল নে নাই যে ঈছা (আঃ)ক মাওলা বুলি ধৰি লোৱা জন কাফিৰ হয়। অৰ্থাৎ এই আয়াত পঢ়াৰ অৰ্থ এয়া আছিল যে এটা স্পষ্ট আৰু ওয়াজে প্ৰমাণ দিয়া যাওঁক, য'ত দুৰ্বলতাৰ অৱকাশ নাথাকে।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে **আলইয়াওমা আকমালতু লাকুম দিনাকুম** এই আয়াতৰ দুটা ভাগত অৰ্থ আছে। এটা হ'ল যে তোমালোকক পৱিত্ৰ কৰা হ'ল। দ্বিতীয় হ'ল তোমালোকৰ বাবে কিতাপ সম্পূৰ্ণ কৰা হ'ল। এয়া নিৰ্ধাৰিত কথা হ'ল যে যেতিয়া কাম সম্পূৰ্ণ হৈ যায়, সেই সম্পূৰ্ণতাই তাৰ মৃত্যুক প্ৰমাণিত কৰে। যেনেকৈ জাগতিক কাজ কৰ্মত কাম শেষ হৈ গলে শ্ৰমিক বিদায় লয়। যেতিয়া আঁহজৰত (ছাঃ)য়ে হজৰত আবু বক্কৰ (ৰাঃ)ৰ কাহিনী কৈছিল তেতিয়া তেখেত (ছাঃ)য়ে কৈছিল আবু বক্কৰ আটাইতকৈ বেছি বিবেকবান , আৰু এয়াও কৈছিল যে যদি জগতত কাৰোবাক বন্ধু বনালো হয় তেন্তে আবু বক্কৰক বনালো হয়। লগতে আৰু কৈছিল আবু বক্কৰৰ খিৰিকি মছজিদত খোলা থাকিব,বাকী সকলো খিৰিকি বন্ধ থাকিব। ইয়াত উপযুক্ততা কি আছে। ইয়াৰ অৰ্থ কি ?  কৈছে মনত ৰাখিবা যে মছজিদ খোদা তা'লাৰ ঘৰ, যিটো সকলো সত্য আৰু তত্ত্বৰ একমাত্ৰ সুঁতি। গতিকে কৈছে যে আবু বক্কৰৰ হৃদয়ৰ খিৰিকি সেই ফালে খোলা আছে, সেয়ে এই মছজিদৰ খিৰিকি বন্ধ কৰিব নালাগে। ইয়াতে কথা এইটো নহয় যে বেলেগ চাহাবা সকলে বঞ্চিত আছিল, তেওঁলোকৰ মাজতও বিবেকবান লোক আছিল, কিন্তু হজৰত আবু বক্কৰ (ৰাঃ) আটাইতকৈ প্ৰজ্ঞাবান আছিল বৰং হজৰত আবু বক্কৰ (ৰাঃ)ৰ নিজাববীয়া জ্ঞানৰ পৰিধি বহল আছিল, যিয়ে প্ৰথম অৱস্থাতেই নিজৰ আদৰ্শ প্ৰকাশ কৰিছিল আৰু এয়া শেষ সময়লৈকে আছিল যেনিবা আবু বক্কৰৰ ব্যক্তিত্ব আছিল প্ৰজ্ঞাৰ এক ভঁৰাল।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে হজৰত আবু বক্কৰ (ৰাঃ)এজন অভিজ্ঞ আৰু পাণ্ডিত্য পূৰ্ণ প্ৰজ্ঞাৰ মালিক আছিল। তেখেতে (ৰাঃ)য়ে বহুতো বিপদজনক ঘটনা আৰু বহুতো দুঃখ যন্ত্ৰণাৰ দিন পাৰ কৰিছে আৰু কেইবাটাও যুদ্ধত অংশ গ্ৰহণ কৰিছে আৰু কাফিৰ সকলৰ যুদ্ধ চক্ৰান্ত দেখিবলৈ পাইছে। কেইবাটাও মৰুপ্ৰান্ত আৰু পাহাৰ ভৰিৰে গচকি পাৰ কৰিছে। কিমান যে ভয়ানক ঠাইত নিৰ্ভয়ে সোমাই গৈছে। কিমান যে একাবেকা বাটক তেখেতে পোনাই দিছে, কেইবাটাও যুদ্ধত তেখেতে দিশ নিৰ্দেশনা দি

আগুৱাই গৈছে। কিমান বিবাদ ফাছাদ আছিল, সেইবোৰ তেখেত (ৰাঃ)য়ে দমন কৰিছে। বহুতো ঘটনাৰ সন্মুখীন হৈ তেখেতে সকলো কাৰ্য্যৰ ভুতপত্তি লাভ কৰিছে অৰ্থাৎ প্ৰজ্ঞাৰ অধিকাৰী হৈছে। তেখেত (ৰাঃ) দুঃখ যন্ত্ৰণাত ধৈৰ্য ধাৰণ কৰোঁতা আৰু পৰিশ্ৰমী আছিল। গতিকে আল্লাহ তা'লা তেখেত (ৰাঃ)ক নিজৰ আয়াতৰ বিষয় বস্তু আৰু আঁহজৰত (ছাঃ)ৰ বন্ধু হোৱাৰ বাবে নিৰ্বাচন কৰিছিল। আৰু তেখেত (ৰাঃ)ৰ সততাৰ বাবে তেখেতক প্ৰশংসা কৰিছে। এই সকলোবোৰ ইঙ্গিত এই কথাটোৰ বাবে আছিল যে তেখেত (ৰাঃ) আঁহজৰত (ছাঃ)ৰ ওচৰত অতি মৰমৰ আছিল। হজৰত আবু বক্কৰ (ৰাঃ)ক মুক্তিৰ মাটিৰে সৃজন কৰা হৈছিল আৰু আনুগত্য আছিল তেখেতৰ হৃদয় ভৰা, সেই কাৰণে তেখেতক ভয়ানক আতংকময় সময়খিনিৰ নিৰ্বাচিত কৰা হৈছিল। আল্লাহ সৰ্বজ্ঞানী, সি সকলো বিষয় তাৰ পৰিস্থিতি অনুযায়ী ৰোপন কৰে। সি ইবনে আবি কোহাফৰ ওপৰত বিশেষ ৰহমত নাযিল কৰিছিল আৰু তাক এজন দৃষ্টান্তকাৰী ব্যক্তি ৰূপত পৰিগণিত কৰিছিল।

হজৰত আবু বক্কৰ (ৰাঃ)য়ে সপোনৰ তাবিৰ কৰাৰ জ্ঞান লাভ কৰিছিল। উল্লেখ আছে যে ইলমে তাবিৰ হজৰত আবু বক্কৰ (ৰাঃ)ৰ বৰ হাত আছিল। হুজুৰ (ছাঃ)ৰ মোবাৰক সময় ছোৱাত এখেত (ৰাঃ)য়ে সপোনৰ তাবিৰ ব্যাখ্যা কৰিছিল। ইমাম মহম্মদ বিন ছিৰেইন কৈছে যে ৰছুলুল্লাহ (ছাঃ)ৰ পিছত হজৰত আবু বক্কৰ (ৰাঃ) আটাইতকৈ ডাঙৰ তাবিৰ কাৰক আছিল। নবী কৰিম (ছাঃ)ৰ অনুপস্থিত কালত যি কেইজন চাহাবায় মছজিদ নবৱীত নামাজ পঢ়োৱাৰ সৌভাগ্য লভিছিল তাৰ মাজত হজৰত আবু বক্কৰ (ৰাঃ)য়েও আছিল। হজৰত আবু বক্কৰ (ৰাঃ)ৰ এটা বিশেষ সৌভাগ্য এয়াও আছিল যে আঁহজৰত (ছাঃ)ৰ শেষ সময়ছোৱাত আঁহজৰত (ছাঃ)ৰ নিৰ্দেশ অনুযায়ী নামাজ পঢ়োৱাৰ সৌভাগ্য লভিছিল। হজৰত আয়শা (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে ৰছুলে কৰিম (ছাঃ)য়ে কৈছে যে হজৰত আবু বক্কৰ (ৰাঃ) উপস্থিত আছে মানে বেলেগে নামাজৰ ইমামতি কৰাটো ঠিক নহয়। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এই বৰ্ণনাৰ ধাৰাবাহিকতা আগলৈ চলিব, ইনশা আল্লাহ-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ.

**ASSAMESE KHULASA KHUTBA JUMA HUZOOR ANWAR aba 11 NOV 2022**

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**